**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-05-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু ভাৰতীয় কৃষি গৱেষণা পৰিষদ প্ৰতিষ্ঠানৰ সঞ্চালকসকলৰ বাৰ্ষিক সন্মিলন উদ্বোধন কৰিব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্‌ জয়শংকৰে কালি নেডাৰলেণ্ডছ্‌ৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী কেছ্‌পাৰ ভেল্ডকাঁম্পৰ সৈতে এখন বৈঠকত মিলিত হয়।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ মে'ত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে নিজৰ মনৰ ভাব প্ৰকাশ কৰিব।

৪। কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী মনসুখ মন্দাভিয়াই কালি বিয়লি ডিউত খেলো ইণ্ডিয়া বিচ্‌ গেমছ ক্ৰীড়া প্ৰতিযোগিতাৰ উদ্বোধনী সংস্কৰণ মুকলি কৰে। ***আৰু***

৫। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ চলিত সংস্কৰণৰ প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু ভাৰতীয় কৃষি গৱেষণা পৰিষদ প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠানৰ সঞ্চালকসকলৰ বাৰ্ষিক সন্মিলন উদ্বোধন কৰিব। এই সন্মিলনৰ বিষয়বস্তু হৈছে **কনভাৰ্জেন্স ফৰ এক্সন ঃ ২০৪৭ চনৰ বিকশিত ভাৰতৰ বাবে কৃষি গৱেষণা, শিক্ষা আৰু সম্প্ৰসাৰণ।** এই অনুষ্ঠানত শ্ৰীচৌহানে কৃষিৰ দীৰ্ঘম্যাদী উন্নয়নৰ বাবে ৰাষ্ট্ৰীয় কৃষি গৱেষণা ব্যৱস্থাৰ পুনৰ কল্পনাৰ ওপৰত উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰিব।

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে এটা বিবৃতিত জনাইছে এই অনুষ্ঠানত মূল নীতি নিৰ্ধাৰক, চিন্তাশীল নেতা আৰু শৈক্ষিক বিষয়াসকলে কৃষি উদ্ভাৱন তন্ত্ৰক শক্তিশালী কৰাৰ বাবে প্ৰয়োজনীয় কৌশল আৰু সংস্কাৰৰ বিষয়ত আলোচনা কৰিব।

এই অনুষ্ঠানত মীন, পশুপালন আৰু দুগ্ধ উন্নয়ন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিং আৰু কৃষি তথা কৃষক কল্যাণ ৰাজ্য মন্ত্ৰী ভগীৰথ চৌধাৰীয়ে অংশগ্ৰহণ কৰিব।

ooooo

ইউৰোপৰ ত্ৰিদেশীয় ভ্ৰমণসূচীৰে সম্প্ৰতি নেডাৰলেণ্ডছ্‌ৰ ৰাজধানী দ্যা হেগত থকা ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ্‌ জয়শংকৰে কালি দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী কেছ্‌পাৰ ভেল্ডকাঁম্পৰ সৈতে বৈঠকত মিলিত হয়। সামাজিক মাধ্যমত লিখা এটা প'ষ্টত ডঃ জয়শংকৰে আলোচনাত ইউৰোপীয় সংঘৰ সৈতে থকা বিভিন্ন সম্পৰ্কৰ লগতে উভয় দেশৰ দ্বিপাক্ষিক সহযোগিতা ত্বৰান্বিত কৰাৰ সম্পৰ্কত বিভিন্ন বিষয়ে আগস্থান পাই বুলি প্ৰকাশ কৰে। শেহতীয়াকৈ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ

ঘটনাক নেডাৰলেণ্ডছে কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্যসহনশীলতাৰ নীতিক সমৰ্থন জনোৱা বাবে ড০ জয়শংকৰে দেশখনৰ শলাগ লয়।

ত্ৰিদেশীয় ভ্ৰমণসূচীৰে নেডাৰলেণ্ডছত উপস্থিত হোৱা মন্ত্ৰীগৰাকীক দেশখনত থকা ভাৰতৰ ৰাষ্ট্ৰদূত কে আৰ টুহিন আৰু দেশখনৰ পৰৰাষ্ট্ৰ কাৰ্যালয়ৰ সঞ্চালক গেব্ৰিয়েলা চানচিচিয়ে আদৰণি জনায়।

ছদিনীয়া ভ্ৰমণসূচীৰে ৰাওনা হোৱা বিদেশমন্ত্ৰীগৰাকীয়ে ডেনমাৰ্ক আৰু জাৰ্মানীলৈও যাব। ড০ জয়শংকৰে তিনিওখন ৰাষ্ট্ৰৰে নেতৃবৰ্গক সাক্ষাৎ কৰাৰ লগতে বাকী দেশ দুখনৰ বিদেশ মন্ত্ৰীদ্বয়ৰ সৈতেও দ্বিপাক্ষিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ৰ লগতে দ্বিপাক্ষিক সম্পৰ্ক অধিক উন্নত কৰাৰ উদ্দেশ্যে কেইবালানি আলোচনাত মিলিত হ'ব।

00000

ইজৰাইলত থকা ভাৰতৰ ৰাষ্ট্ৰদূত জে পি সিঙে কৈছে যে ইছলামবাদে পাকিস্তান ভিত্তিক গোলকীয় সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবা আৰু জয়ছ-ই-মহম্মদৰ মুৰব্বীক ভাৰতৰ হাতত গতাই দিয়াৰ সময় আহি পৰিছে। ইজৰাইলৰ এটা টিভি চেনেলৰ সৈতে হোৱা সাক্ষাৎকাৰত শ্ৰীসিঙে কয় যে এই পাকিস্তানী সংগঠনসমূহে পেহেলগামত সংঘটিত জঘন্য আক্ৰমণৰ ঘটনাকে ধৰি ভাৰতত হোৱা অগণন সন্ত্ৰাসবাদী আক্ৰমণৰ সৈতে জড়িত হৈ আছে। জইছ-ই-মহম্মদ আৰু ইয়াৰ নেতা মাছুদ আজহাৰ তথা লস্কৰ-ই-তৈবা আৰু ইয়াৰ নেতা হাফিজ ছাইদক তেওঁ ইয়াৰ মূল কাৰণ বুলি আখ্যা দিয়ে। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে ৭ মে'ত ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে আৰম্ভ কৰা অপাৰেচন সিন্দূৰ শেষ হোৱা নাই বুলি দৃঢ়ভাৱে প্ৰকাশ কৰি শ্ৰীসিঙে লগতে কয় যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে এই যুঁজ অব্যাহত থাকিব। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতে সিন্ধু জল চুক্তি স্থগিত ৰখাৰ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত ৰাষ্ট্ৰদূতগৰাকীয়ে কয় যে এই সন্ধি সদিচ্ছা আৰু বন্ধুত্বৰ মনোভাৱেৰেহে স্বাক্ষৰ কৰা হৈছিল। তেওঁ জোৰ দি কয় যে ভাৰতৰ প্ৰতিশোধৰ পাছতে পাকিস্তানে আতংকিত হৈ ভাৰতৰ ওচৰলৈ হাত আগবঢ়াইছিল আৰু ফলস্বৰূপে ১০ মে'ত দুয়োপক্ষই সংঘৰ্ষ বিৰতিত সন্মত হৈছিল।

00000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কাইলৈ আৰু পৰহিলৈ কৰ্ণাটকত ধাৰাষাৰ বৰষুণৰ সতৰ্কবাণী জাৰি কৰিছে। বিভাগে কৰ্ণাটক আৰু কৰ্ণাটকৰ নিকটৱৰ্তী তামিলনাডু, গোৱা, মহাৰাষ্ট্ৰ আদি ৰাজ্যৰ বিভিন্ন অঞ্চলত পৰৱৰ্তী তিনিটা দিনৰ ভিতৰত প্ৰবল বৰষুণৰ ৰেড এলাৰ্ট জাৰি কৰিছে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ভাৰতীয় বিজ্ঞান বিভাগৰ জ্যেষ্ঠ বিজ্ঞানী আৰ কে জেনামানিয়ে প্ৰকাশ কৰা অনুসৰি মুম্বাইত কাইলৈ মজলীয়াৰ পৰা ধাৰাষাৰ বৰষুণ হ'ব পাৰে। তেওঁ লগতে দেশৰ উত্তৰ-পূৰ্বাঞ্চলত গ্ৰীষ্ম প্ৰবাহৰ কোনো ধৰণৰ আশংকা সদ্যহতে নাই বুলি জানিবলৈ দিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ মে'ত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে নিজৰ মনৰ ভাব প্ৰকাশ কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২২ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে ১৮০০-১১-৭৮০০ টোল ফ্ৰি নম্বৰৰ জৰিয়তে নিজৰ মনৰ ভাব আৰু পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। জনসাধাৰণে নৰেন্দ্ৰ মোদী এপ নাইবা মাই গভ মুকলি মঞ্চৰ জৰিয়তেও প্ৰধানমন্ত্ৰীলৈ নিজৰ দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। অহা ২৩ মে'পৰ্যন্ত জনসাধাৰণৰ পৰামৰ্শসমূহ গ্ৰহণ কৰা হ'ব।

০০০০০

এন চি পিৰ জ্যেষ্ঠ নেতা চগন ভূজবলক আজি মহাৰাষ্ট্ৰ মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰা হ'ব। পুৱা ১০ বজাত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানত জ্যেষ্ঠ নেতা ভূজবলক খাদ্য আৰু অসামৰিক যোগান বিভাগৰ দায়িত্ব দিয়াৰ সম্ভাৱনা আছে। ইয়াৰ পূৰ্বে একনাথ সিন্ধেৰ মুখ্যমন্ত্ৰিত্বৰ কালতো ভূজবলে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল।

০০০০০

কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী মনসুখ মন্দাভিয়াই কালি বিয়লি ডিউত আয়োজিত এটা বৰ্ণিল অনুষ্ঠানত খেলো ইণ্ডিয়া বিচ গেমছ ক্ৰীড়া প্ৰতিযোগিতাৰ উদ্বোধনী সংস্কৰণ মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত বিভিন্ন পৰম্পৰাগত নৃত্যৰ জৰিয়তে দেশৰ চহকী সাংস্কৃতিক বৈচিত্ৰ্য প্ৰকাশ কৰা হয়। অনুষ্ঠানত শ্ৰীমন্দাভিয়াই ২০৪৭ চনৰ ভিতৰত ক্ৰীড়া মহাশক্তি হিচাপে দেশক গঢ় দিয়াৰ প্ৰতিশ্ৰুতিবদ্ধতা পুনৰ প্ৰকাশ কৰে।

প্ৰতিযোগিতা ৩০ খনতকৈও অধিক ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ পৰা এহেজাৰ ৩৫০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ক্ৰীড়া প্ৰতিযোগিতাখনত দেশৰ ক্ৰীড়া ইতিহাসৰ ঐতিহাসিক মুহূৰ্ত হিচাপে আখ্যা দিছে। দেশৰ ক্ৰীড়া ক্ষেত্ৰত এই প্ৰতিযোগিতাখনিয়ে নতুন ঢৌৰ সৃষ্টি কৰিব বুলি প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে আয়োজকসকললৈ অভিনন্দন জ্ঞাপন কৰাৰ লগতে প্ৰতিযোগিতাখনৰ সাফল্যৰ বাবে তেওঁৰ শুভেচ্ছা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতৰ নিচিনা এখন বৈচিত্ৰ্যপূৰ্ণ দেশত ভিন্ন সংস্কৃতি, অঞ্চল আৰু ভাষাসমূহক এক কৰি ৰখাৰ ক্ষেত্ৰত ক্ৰীড়াই সদায়েই বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে।

০০০০০

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ চলিত সংস্কৰণৰ প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে। প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে লক্ষ্ণৌৰ দলটোত ৬ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌৱে বান্ধি ২০৬ ৰানৰ লক্ষ্য হায়দৰাবাদে ১৮ অভাৰ আৰু ২টা বলত ৪টা উইকেটৰ বিনিময়ত সহজে অতিক্ৰম কৰে। দলৰ হৈ অভিষেক শৰ্মাই ৫৯, হেনৰিক ক্লাছেনে ৪৭, ঈশান কিষাণে ৩৫ আৰু কামিণ্ডু মেণ্ডিছে ৩২ ৰানৰ বৰঙণি আগবঢ়ায়। অভিষেক শৰ্মাক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। লক্ষ্ণৌৰ দিগবেছ সিং ৰাথিয়ে দুটা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২০৫ ৰান সংগ্ৰহ কৰে। হায়দৰাবাদৰ ঈশান মালিংগাই দুটা আৰু হৰ্ষ ডুবে, হৰ্ষল পেটেল আৰু নীতিশ ৰেড্ডীয়ে এটাকৈ উইকেট দখল কৰে। এই পৰাজয়ৰ পাছত লক্ষ্ণৌৰ দলটো পইণ্ট তালিকাৰ সপ্তম স্থানলৈ অৱনমিত হয়। দলটোৱে এইপৰ্যন্ত ১২ খন খেলৰ পৰা ১০ পইণ্টহে অৰ্জন কৰিবলৈ সমৰ্থ হৈছে।

প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

জাৰ্মানীত কালি চলিত বৰ্ষৰ জুনিয়ৰ আই এছ এছ এফ বিশ্বকাপ শ্যুটিং প্ৰতিযোগিতা আৰম্ভ হয়। এয়া হ'ল প্ৰতিযোগিতাখনৰ প্ৰথম সংস্কৰণ। প্ৰতিযোগিতাত পেৰিছ অলিম্পিকত দেশৰ হৈ অংশগ্ৰহণ কৰা ৰাইজা

ধিলনে ৫৭ গৰাকী খেলুৱৈৰে সমৃদ্ধ ভাৰতীয় দলৰ নেতৃত্ব বহন কৰিছে। অহা ২৬ মে' পৰ্যন্ত চলিবলগীয়া প্ৰতিযোগিতাখনৰ অলিম্পিকত অন্তৰ্ভুক্ত হৈ থকা আৰু নথকা মুঠ ১৭টা শিতানত ২১ বছৰ অনূৰ্ধ শাখাত খেলুৱৈসকলে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ভাৰতে ২০২৪ চনত পেৰুৰ লিমাত অনুষ্ঠিত জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপ শুটিং প্ৰতিযোগিতাত ১৩ সোণৰ পদক অৰ্জন কৰিছিল। প্ৰতিযোগিতাত মুঠ ৬৩৮ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দেশসমূহৰ ভিতৰত ভাৰতীয় দলটোত সৰ্বাধিক খেলুৱৈ আছে। ইয়াৰ পাছতে আয়োজক দেশ জাৰ্মানীৰ দলটো প্ৰতিযোগিতাৰ দ্বিতীয় বৃহত্তম দল হিচাপে পৰিগণিত হৈছে।

ooooo

ভাৰতৰ দিয়া শ্বিটালে আৰু যশস্বিনী ঘোৰপাড়েৰ যুটীটো কাটাৰৰ ডোহাত চলি থকা চলিত বৰ্ষৰ বিশ্ব টেবুল টেনিছ চেম্পিয়নশ্বিপছ ফাইনেলছৰ মহিলাৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেল পৰ্যায়লৈ অগ্ৰসৰ হৈছে। যুটীটোৱে কালি ছিংগাপুৰৰ জেং জিয়ান আৰু ছাৰ লিন কিয়ানৰ যুটীটোক পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় যুটীটো বিশ্বক্ৰমৰ ষষ্ঠ স্থানৰ জাপানৰ মিৱা হাৰিম'ট' আৰু মিয়ু কিহাৰাৰ মুখামুখি হ'ব।

অৱশ্যে মিক্সড ডাবলছ শিতানত ভাৰতৰ দিয়া শ্বিটালে আৰু মনোজ শ্বাহৰ যুটীটো কোৰিয়া গণৰাজ্যৰ অহ জুন-ছুং আৰু কিম নায়েঅঙৰ বিৰুদ্ধে ০-৩ ফলাফলত পৰাজিত হয়।

ভাৰতৰ ঐহিকা মুখাৰ্জী আৰু সুতীৰ্থ মুখাৰ্জীৰ যুটীটো জাৰ্মানীৰ এনেট কফমেন আৰু শ্বান জিয়াওনাৰ বিৰুদ্ধে পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

ইপিনে ভাৰতৰ তাৰকা খেলুৱৈ মনিকা বাট্ৰা আজি প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডত দক্ষিণ কোৰিয়াৰ গা-হিঅন পাৰ্কৰ মুখামুখি হ'ব। খেলুৱৈগৰাকীয়ে দেওবাৰে প্ৰথম ৰাউণ্ডৰ খেলত নাইজেৰিয়াৰ ফাতিমা বেল্ল'ৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰিছিল। পুৰুষৰ ছিংগলছত আজি ভাৰতৰ মানৱ থক্কৰ জাপানৰ ট'ম'কাজু হাৰিম'ট'ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত